**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 14-09-2026**
**Time : 21-25 Hrs**

## ASSAMESE NIGHT BULLETIN

:::::::::::::::::::::::::::

ৰাজ্যৰ বিভিন্ন জিলাৰ সম উন্নয়ন, প্ৰশাসনিক বিষয় আৰু ভালেমান গুৰুত্বপূৰ্ণ বিষয়ক লৈ যোৰহাটত অনুষ্ঠিত জিলা আয়ুক্তসকলৰ সন্মিলনৰ আজি দ্বিতীয়টো দিন। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত এই সন্মিলনৰ বিভিন্ন কাৰ্যসূচীত মন্ত্ৰী অতুল বৰা, অজন্তা নেওগ, ডাঃ ৰণোজ পেগু আৰু ৰামেশ্বৰ তেলীকে ধৰি ভালেকেইগৰাকী মন্ত্ৰীয়ে অংশগ্ৰহণ কৰে। ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাক অধিক জনমুখী আৰু ফলপ্ৰসূ কৰাৰ লগতে তৃণমূল পৰ্যায়ত জনসেৱা অধিক উন্নত কৰাৰ বিভিন্ন দিশ সন্দৰ্ভত সন্মিলনত আলোচনা কৰা হয়। এই সন্মিলনৰ কাৰ্যসূচী দিনৰ ১১ বজাত আৰম্ভ হয় আৰু নিশা ১১ বজাত ইয়াৰ সামৰণি পৰিব বুলি যোৰহাটৰ সংবাদদাতাই জনাইছে।

০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে কংগ্ৰেছৰ প্ৰাৰ্থী শিৰামণি বৰাৰ নাম আনুষ্ঠানিকভাৱে আজি ঘোষণা কৰা হয়। সমষ্টিটোৰ পৰা বিজেপি দলৰ হৈ দেৱাশীষ শৰ্মাই প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। প্ৰাৰ্থী গৰাকীয়ে ইতিমধ্যে বিভিন্ন স্থানত দলীয় সভাত অংশগ্ৰহণ কৰাৰ লগতে ভোটদাতাৰ সৈতে মত বিনিময় কৰিছে। পৰহিলৈ তেওঁ মনোনয়ন পত্ৰ দাখিল কৰিব। মনোনয়ন দাখিলৰ সময়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া উপস্থিত থকাৰ সম্ভাৱনা আছে। এ আই ইউ ডি এফেও ইতিমধ্যে ৰেজাউল কৰিম চৰকাৰক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে।

উল্লেখযোগ্য যে অহা ৬ অক্টোবৰত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনৰ বাবে ইচ্ছুক প্ৰাৰ্থীসকলে অহা ১৬ ছেপ্তেম্বৰ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে অহা ১২ আৰু ১৩ ডিচেম্বৰত দেশজুৰি চি-টেট অনুষ্ঠিত কৰিব। এই সন্দৰ্ভত আজি এখন জাননী প্ৰকাশ কৰি পৰিষদে কয়, যে প্ৰাৰ্থীসকলে পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া কেন্দ্ৰ আৰু পৰীক্ষাৰ তাৰিখ পৰীক্ষাৰ ১৫ দিন পূৰ্বে চি-টেট পোৰ্টেলত উপলব্ধ হ'ব।

০০০০

সত্ৰীয়া সংস্কৃতিৰ একান্ত সাধক, বৈষ্ণৱ শিল্পী, পদ্মশ্ৰী বঁটাপ্ৰাপক গোপীৰাম বৰগায়ন বুঢ়া ভকতৰ আজি দেহাৱসান ঘটে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে সত্ৰীয় সংস্কৃতি বৰওজাৰ সাধনাৰ জৰিয়তে প্ৰয়াত বৈষ্ণৱ শিল্পীগৰাকীয়ে জাতীয় ঐতিহ্যক সমৃদ্ধিশালী কৰিছিল। তেওঁৰ মৃত্যুত আধ্যাত্মিক,

সাংস্কৃতিক জগতৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ এইগৰাকী সাধকৰ অন্তেষ্টিক্ৰিয়া ৰাজ্যিক মৰ্যদাৰে সম্পন্ন কৰা হব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০

অসম জাতীয় পৰিষদে জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনায় সপ্তাহজোৰা কাৰ্যসূচীৰে জুবিন গাৰ্গ স্মৃতি সপ্তাহ পালন কৰিছে। আজি দ্বিতীয় দিনাৰ কাৰ্যসূচী মানৱতাৰ দিন হিচাপে পালন কৰা হৈছে। এই সন্দৰ্ভত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীনজ্যোতি গগৈৰ নেতৃত্বত সংগঠনটোৰ ১০১ গৰাকী সদস্যই গুৱাহাটীৰ নাৰেংগী খেলপথাৰত আয়োজিত এটি অনুষ্ঠানত ৰক্তদান কৰে। উল্লেখযোগ্য যে সংগঠনটোৱে জুবিন গাৰ্গক মানৱতাবাদী দৰ্শনক জনতাৰ মাজলৈ লৈ যোৱাৰ প্ৰয়াসেৰে আজিৰ দিনটোক মানৱতাৰ দিন হিচাপে পালন কৰে। উল্লেখযোগ্য যে কালি সপ্তাহজোৰা কাৰ্যসূচীৰ প্ৰথম দিনটোত শিল্পীগৰাকীৰ নাহৰ গছৰ সৈতে থকা সংপৃক্ততাৰ খাতিৰত নাহৰৰ দিন হিচাপে পালন কৰা হৈছিল।

০০০০

৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জাঁজীত আজি পুৰা আৰক্ষীৰ পোছাকত অহা এটা ডকাইতৰ দলে এখন কুকুৰা কঢ়িওৱা বাহন আগভেটি ধৰি প্ৰায় আঢ়ৈ লাখ টকা মূল্যৰ সম্পদ লুট কৰে। গোলাঘাটৰ পৰা আহি থকা বাহনখনৰ চালকসহ তিনিজনক সাতজনীয়া ডকাইতৰ দল এটাই বলপূৰ্বকভাৱে চকুত কাপোৰ বান্ধি নি মৰাণ বাইপাছত এৰি থৈ যায়। ঘটনা সন্দৰ্ভত অভিযান চলাই গৌৰীসাগৰ আৰক্ষীয়ে থাওৱা চাহ বাগিচাৰ সমীপত বাহনখন উদ্ধাৰ কৰাৰ লগতে শিৱসাগৰৰ কাউন নগৰত ডকাইটি কৰা কুকুৰাখিনি উদ্ধাৰ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

০০০০

শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনৰ মনোনয়ন পত্ৰ আজি শিলচৰ চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পৰীক্ষা কৰা হয়। ৪২ টা ৱাৰ্ডৰ ১৬২ খন মনোনয়ন পত্ৰৰ ভিতৰত ১৫১ খন মনোনয়ন পত্ৰ বৈধ বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। উল্লেখযোগ্য যে শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ১৭ চেপ্তেম্বৰ।

০০০০

শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত সমাগত সেৱা সংকল্প অভিযান আৰু স্বচ্ছতা হী সেৱা ২০২৬ অভিযান সন্দৰ্ভত জিলা উন্নয়ন আয়ুক্ত সঞ্জীৱ কুমাৰ শৰ্মাৰ পৌৰহিত্যত আজি এখন সমন্বয় সভা অনুষ্ঠিত হয়। সভাত ১৭ ছেপ্তেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ হ'বলগীয়া সেৱা সংকল্প অভিযান ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০

বজালী জিলাৰ ওদালগুৰিৰ পুঠিমাৰী কলৰগুৰিৰ নিৱাসী জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মাধৱ মেধীৰ আজি বিয়লি মৃত্যু হয়। প্ৰয়াত মেধি বিভিন্ন সামাজিক কাম-কাজৰ সৈতেও জড়িত আছিল। মৃত্যুৰ সময়ত তেঁওৰ বয়স আছিল ৮৪ বছৰ।

০০০০

সমাপ্ত